**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 09-07-2025 **Time :** 1205Hrs.

## Assamese Midday Bulletin

কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ শ্ৰমিক বিৰোধী আৰু কৃষক বিৰোধী নীতি গ্ৰহণ কৰা বুলি অভিযোগ কৰি দেশৰ ১০টা শ্ৰমিক সংগঠনৰ উমৈহতীয়া মঞ্চই আহ্বান জনোৱা ভাৰত বন্ধৰ প্ৰভাৱ অসমতো পৰিলক্ষিত হৈছে। আমাৰ বিভিন্ন জিলাৰ সংবাদদাতাই জনোৱা মতে বন্ধৰ ফলত উত্তৰ গুৱাহাটীৰ ৰন্ধন গেছৰ বটলিং প্লেণ্ট, দুলীয়াজানৰ অইল ইণ্ডিয়াৰ অধীনস্থ তৈল প্ৰতিষ্ঠানসমূহ, নাজিৰাৰ তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ মুখ্য কাৰ্যালয়কে ধৰি বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠানৰ কাম-কাজ ব্যাহত হৈছে। নুমলীগড় শোধনাগাৰৰ কাম-কাজো আজি বন্ধৰ ফলত প্ৰভাৱিত হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। গুৱাহাটী মহানগৰীত আজি ব্যক্তিগত খণ্ডৰ চিটী বাছ আৰু দূৰণিবটীয়া বাছৰ চলাচল বন্ধ আছে। অৱশ্যে অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনস্থ গ্ৰীণ বাছ সেৱা আৰু সৰু বাণিজ্যিক বাহনসমূহ চলাচল কৰি আছে। বঙাইগাঁৱৰ বি আৰ পি এলৰ কাম-কাজ চলি আছে বুলি আমাৰ সংবাদদাতাই জনাইছে। শিলচৰত আজি শ্ৰমিক সংগঠনৰ প্ৰতিনিধিসকলে বিভিন্ন ঠাইত বন্ধৰ সমৰ্থনত পিকেটিং কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কিছু সময় পূৰ্বে চিৰাঙৰ সদৰ কাজলগাঁৱত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত নিৰ্মিত জিলা বিজেপিৰ কাৰ্যালয় গৃহটো মুকলি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সম্প্ৰতি দলীয় কৰ্মীসকলক উদ্দেশ্যি ভাষণ দি আছে। ইয়াৰ পাছত তেওঁ জিলাখনৰ প্ৰশাসনীয় মুৰব্বী বিষয়াসকলৰ সৈতে বিভিন্ন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনি ৰূপায়ণৰ পৰ্যালোচনা বৈঠকত তেওঁ অংশ ল'ব। বিয়লিৰ ভাগত মুখ্যমন্ত্ৰীয়ে বিজনী জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰত বিজেপিয়ে আয়োজন কৰা এখন ৰাজহুৱা সভাত অংশ ল'ব। সমাগত বিটিচি পৰিষদীয় নিৰ্বাচন সন্দৰ্ভত আয়োজিত এই সভাত দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ লগতে কেইবাগৰাকীও নেতাই অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে।

০০০০০০

ৰাজহ মন্ত্ৰী কেশৱ মহন্তই আজি প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ আঁচনিৰ অধীনত কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়ত এটা ডায়েলাইছিছ কেন্দ্ৰ মুকলি কৰে। কেন্দ্ৰটোৱে বৃহত্তৰ কলিয়াবৰৰ ৰাইজক উপকৃত কৰিব। এই উপলক্ষে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে দেশৰ আগশাৰীৰ চিকিৎসালয় এপ'ল'ৰ সৈতে ৰাজ্য চৰকাৰে কৰা চুক্তি অনুসৰি স্বাস্থ্য খণ্ডত ডায়েলাইছিছৰ ব্যৱস্থা কৰা হৈছে বুলি প্ৰকাশ কৰে। তেওঁ কয় যে এনে ব্যৱস্থাৰ অংশ হিচাপে কলিয়াবৰ মহকুমা চিকিৎসালয় মুকলি কৰা কেন্দ্ৰটোত দৈনিক তিনিটা ভাগত ১২গৰাকী ৰোগীয়ে বিনামূলীয়াকৈ চিকিৎসা লাভ কৰিব।

০০০০০০০

অসম চাহ মজদুৰ সংঘৰ আহ্বানত বোকাখাট আৰু নাজিৰাকে ধৰি ৰাজ্যৰ বিভিন্ন চাহবাগিচাৰ পৰিচালকৰ কাৰ্যালয়ৰ সন্মুখত শ্ৰমিকসকলে আজি ধৰ্ণা কাৰ্যসূচী পালন কৰে। চাহ শ্ৰমিক দৈনিক মজুৰি বৃদ্ধি, বাগিছাৰ ভূমি বিক্ৰী বন্ধ কৰাকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

0000000

গোলাঘাটৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। ধনশিৰিৰ লগতে দৈগ্ৰোং আৰু কালিয়নী নৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। নৈকেইখনৰ বাঢ়নী পানীয়ে জিলাখনৰ গোলাঘাট, মৰঙি, খুমটাই, বোকাখাত আৰু সৰুপথাৰ ৰাজহ চক্ৰৰ শতাধিক গাঁও প্লাৱিত কৰিছে। জিলাখনৰ ২০ সহস্ৰাধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। বানত উটি অহা জিলাখনৰ শিঙিমাৰী গাঁৱৰ মংলু ভূমিজ নামৰ লোকজনৰ মৃতদেহ কালি উদ্ধাৰ কৰা হয়। জিলাখনৰ বান পৰিস্থিতি তদাৰক কৰাৰ বাবে মন্ত্ৰী অজন্তা নেওগে গোলাঘাটত বাহৰ পাতিছে। মন্ত্ৰীগৰাকীয়ে কালি জিলা আৱৰ্ত ভৱনত জিলা আয়ুক্ত আৰু প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হৈ বানপীড়িত লোকসকলৰ মাজত যাৱতীয় সাহায্য-সামগ্ৰী বিতৰণ কৰাৰ নিৰ্দেশ দিয়ে। বৈঠকত বানত ক্ষতিগ্ৰস্ত অঞ্চলৰ লোকসকলৰ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰাৰ নিৰ্দেশ দিয়া হয়। সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক মৃণাল শইকীয়া, বিশ্বজিৎ ফুকনৰ লগতে কেইবাগৰাকী নেতাই আশ্ৰয় শিবিৰসমূহ পৰিদৰ্শন কৰি জনসাধাৰণৰ অৱস্থাৰ বুজ লয়।

0000000

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিং-বদৰপুৰ পাহাৰ ৰে'ল লাইনৰ মুপা-দিহাখো ষ্টেচনৰ মাজত সোমবাৰে পুৱাৰ ভাগত হোৱা ভূমিস্খলনৰ পৰিপ্ৰেক্ষিতত ১২খন ৰে'লৰ যাত্ৰা অহা ১২ জুলাইলৈ পুনৰ বাতিল কৰা হৈছে। ভূমিস্খলনৰ ফলত ৰে'লপথত শিল-বালি জমা হোৱাৰ বাবে আঠখন ৰে'লৰ সেৱা আংশিকভাৱে বাতিল কৰা হৈছে। যাত্ৰীসকলক যাত্ৰাৰ পূৰ্বে ৰে'লগাড়ীৰ স্থিতি সম্পৰ্কে পৰীক্ষা কৰি চাবলৈ আৰু সেই অনুসৰি পৰিকল্পনা কৰিবলৈ অনুৰোধ জনোৱা হৈছে। উত্তৰ পূব সীমান্ত ৰে'লৱেই যাত্ৰীসকলক বিভিন্ন সংবাদ মাধ্যম আৰু সংহত যোগাযোগ ব্যৱস্থাৰে এই সন্দৰ্ভত লোৱা পদক্ষেপৰ বিষয়ে জনোৱাৰ ব্যৱস্থা কৰিছে।

000000

অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথা সংস্কৃতি বিভাগৰ পৃষ্ঠপোষকতাত আৰু ৰাজ্যৰ সংগ্ৰহালয় সঞ্চালকালয় তথা ঢকুৱাখনা মহাবিদ্যালয়ৰ সহযোগিতাত আজিৰেপৰা অহা ১০ আগষ্টলৈ গুৱাহাটীস্থিত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ দ্বিতীয় মহলাত থকা বিশেষ প্ৰদৰ্শনী প্ৰেক্ষাগৃহত 'মুগাঃ অসমৰ সোণালী সূতা, ঢকুৱাখনাৰ গৌৰৱ' শীৰ্ষক এখন প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। প্ৰদৰ্শনীত ঢকুৱাখনাৰ মুগা শিল্পৰ কলাত্মক উপস্থাপন কৰা হ'ব। আজি পুৱা চাৰে ১১ বজাত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত প্ৰদৰ্শনী উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি ৰাজ্যৰ সংগ্ৰহালয়সমূহৰ সঞ্চালকে প্ৰকাশ কৰিছে।

0000000

**সমাপ্ত**